কৰ্ম মোৰ সংস্কৃতি

☎: 0361-2557921 (Principal)
0361-2654229 (Office)

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ :
*Ref :* AJB/GJ/71/19

তাৰিখ :
*Date* : 2-10-2019

# 150th Birth Anniversary of the Father of the Nation Celebrated on the premises of Assam Jatiya Bidyalay

**Guwahati, 2 October, 2019 :** The Father of the Nation Mahatma Gandhi was remembered on his 150th birth anniversary on the premises of Assam Jatiya Bidyalay, Noonmati, Guwahati today. The programme was organized by Office of the District Legal Services Authority, Kamrup Metro in collaboration with Assam Jatiya Bidyalay, Noonmati, Guwahati. The programme started sharp at 10:30 with the lighting of the ceremonial lamp and garlanding the portrait of Mahatma Gandhi by Honorable Chief Justice Sjt Arup Kumar Goswami, Justice N. Kotiswar Singh along with the Rector of Assam Jatiya Bidyalay Ranjit Narayan Deka. This was followed by Gandhi's favourite Bhajan "Vaishnava Jana" performed by Medha Jyoti Nath, a student of Class IV Assam Jatiya Bidyalay. The dignitaries were felicitated by the Assam Jatiya Bidyalay school authority with a Gamocha, bouquet of flowers and Silver Jubilee Souvenir of Assam Jatiya Bidyalay "Alok Sandhani". Honorable Justice of Gauhati High Court Aparesh Chakravarty delivered the welcome and introductory speech. He commemorated the contribution of the Father of the Nation towards attaining the freedom of our nation. He emphasized Gandhi's two main principles truth and non violence in the freedom struggle. After this some students of Dispur Govt. H. S. School performed a chorus on a song by Ambikagiri Raichoudhury. On this occasion honorable Chief Justice Shri Arup Kumar Goswami, Justice Shri N. Kotiswar Singh and Rector of Assam Jatiya Bidyalay also presented invaluable speeches which provided great inspiration for the students. Several schools took part in the programme. Street play, Nagara Naam, Drama, Group Dance etc., were performed by some of the students of Kamrup Academy H. S. School, Gopal Boro Govt. H. S. School, Sonaram H. S. School, Cotton Collegiate Govt. H. S. School. Addressing the gathering N. Kotiswar Singh expressed his gratitude towards the Chief Justice. In his speech he confined himself to some important details about the Constitution of India, which he mentioned as the "Finest Product" of freedom struggle of India. In his valuable speech the Honorable Chief Justice of Gauhati High Court expressed his delight over the colorful performances of the students. He also requested the young students to be influenced by the life of Mahatma and feel the importance of Indian values. He thanked the organizers to give him the opportunity to attend such a grand programme. His speech was followed by an open interaction between the students and the two Honorable Justice present in the programme. Other attractive programmes were a mass oath taking to make the earth a plastic free beautiful planet, where everybody including students, teachers and the dignitaries took part and an open quiz conducted by Amal Dutta, Member, Foreigners' Tribunals, Morigaon . The programme where the members of DLSA Kamrup (M), students and teachers of different schools and many important guest were present, came to an end with the offering of the vote of thanks by Smti. Jyotshna Das , Secretary, District Legal Services Authority . The whole programme was anchored by students of class X Ananya Medhi and Kuldeep Bhattacharya.

Ghanashyam Medhi

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay
Noonmati, Guwahati

কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/গাজ/৭১/১৯ তাৰিখ : ২-১০-২০১৯
*Ref :* *Date :*

### অসম জাতীয় বিদ্যালয়ত গান্ধীজীৰ ডেৰশ বছৰীয়া জয়ন্তী উদ্‌যাপন

**নুনমাটি, গুৱাহাটী, ২ অক্টোবৰ, ২০১৯** : কামৰূপ মহানগৰ জিলা আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত আৰু অসম জাতীয় বিদ্যালয়ৰ সহযোগত বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাত্মা গান্ধীৰ ডেৰশ বছৰীয়া জয়ন্তী আজি অসম জাতীয় বিদ্যালয় প্ৰাংগণত উদ্‌যাপন কৰা হয়। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ অৰূপ কুমাৰ গোস্বামীয়ে মহাত্মা গান্ধীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছতেই মুখ্য ন্যায়াধীশ অৰূপ কুমাৰ গোস্বামী আৰু ন্যায়াধীশ এন কটিশ্বৰ সিঙক অসম জাতীয় বিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়। দিছপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ তৰফৰ পৰা অসম জাতীয় বিদ্যালয়ৰ সন্মানীয় ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকাক সম্বৰ্দ্ধনা জনায়। অনুষ্ঠানত অসম জাতীয় বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ শিক্ষাৰ্থী মেধাজ্যোতি নাথে গান্ধীজীৰ এটি প্ৰিয় ভজন পৰিৱেশন কৰে। ইয়াৰ পিছতে আদৰণি আৰু শুভেচ্ছামূলক ভাষণ প্ৰদান কৰে জিলা আৰু সত্ৰ ন্যায়াধীশ অপৰেশ চক্ৰৱৰ্তীয়ে। অসম জাতীয় বিদ্যালয়ৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকাই গান্ধীৰ জীৱনাদৰ্শ আৰু ব্যক্তিত্বৰ বিশ্বজনীনতা সম্পৰ্কে এক মননশীল বক্তব্য আগবঢ়ায়। অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ এন কটিশ্বৰ সিঙে ভাষণ প্ৰদান কৰে। ভাষণ প্ৰসংগত তেওঁ ভাৰতৰ স্বাধীনতা সংগ্ৰামত গান্ধীজীৰ অৱদানৰ কথা উল্লেখ কৰি স্বাধীনতাৰ অনবদ্য অৱদান ভাৰতীয় সংবিধানৰ বৈশিষ্ট্য তথা তাৎপৰ্য সম্পৰ্কে শিক্ষাৰ্থীসকলক অৱগত কৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ অৰূপ কুমাৰ গোস্বামী দেৱেও বক্তব্য প্ৰদান কৰে। বক্তব্যৰ আৰম্ভণিতে তেওঁ অনুষ্ঠানৰ আয়োজকসকলৰ শলাগ লয় আৰু সভাত বিভিন্ন অনুষ্ঠান পৰিৱেশন কৰা শিক্ষাৰ্থীসকলক প্ৰশংসা কৰে। শিক্ষাৰ্থীসকলক মহাত্মা গান্ধীৰ জীৱন দৰ্শন সম্পৰ্কে গভীৰ অধ্যয়ন কৰি গণতান্ত্ৰিক প্ৰমূল্য হৃদয়ংগম কৰাৰ লগতে মাতৃভূমিৰ প্ৰতি দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত মহানগৰীৰ কেইবাখনো বিদ্যালয়ৰ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰি বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰে। দিছপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে পৰিৱেশন কৰা অম্বিকাগিৰী ৰায়চৌধুৰীৰ গীত, কটন কলেজিয়েট চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষাৰ্থীৰ দ্বাৰা পৰিৱেশিত বাটৰ নাট, গোপাল বৰো চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ নাগাৰা নাম, কামৰূপ একাডেমিৰ শিক্ষাৰ্থীসকলৰ দ্বাৰা পৰিৱেশিত নাট আৰু সোণাৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে পৰিৱেশন কৰা দলীয় নৃত্যই উপস্থিত সকলোকে আপ্লুত কৰে। উল্লেখযোগ্য যে গান্ধী জয়ন্তী উদ্‌যাপনৰ এই অনুষ্ঠানতে মহাত্মা গান্ধীৰ ৰাম ৰাজ্যৰ সপোন বাস্তৱত ৰূপায়িত কৰাৰ লগতে এখন প্লাষ্টিকমুক্ত সমাজ গঢ়াৰ বাবে শপত গ্ৰহণ কৰা হয়। অনুষ্ঠানত শিক্ষাৰ্থীসকলৰ লগত মত বিনিময়ৰ লগতে এখনি মুকলি কুইজ অনুষ্ঠিত কৰা হয়। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় কামৰূপ জিলা আইন সেৱা প্ৰাধিকাৰীৰ সচিব জ্যোৎস্না দাসে।

(ঘনশ্যাম মোধ)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০